**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং ৪৯৪**

**উত্তৰ দিয়া তাৰিখ :** ২৩/০৭/২০২৬

বিষয় : **Tutor নিযুক্তি সম্পৰ্কে**

বিধায়ক : শ্ৰী আফতাব উদ্দিন মোল্লা

**মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

জলেশ্বৰ সমষ্টিৰ লক্ষীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত - Tekona ME Madrassaত যোৱা 05-01-2021 চনত 2017 Act মতে তিনিজন Tutorৰ নিযুক্তিৰ চৰকাৰী অনুমোদন পোৱা স্বত্বেও এজনক Tutor হিচাপে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। 2020 চনতে ৰুজু হোৱা Case টো 2020 চনতেই শেষ হৈছে যদিও আজিলৈ বাকী থকা Tutor দুজনক কিয় নিযুক্তি প্ৰদান কৰা হোৱা নাই? এই বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, বাকী থকা Tutor দুজনক কেতিয়া নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব? তথ্য সহকাৰে জনাব।

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ড°ৰণোজ পেগু মহোদয়ৰ উত্তৰ:**

টেকোনা এম.ই. মাদ্ৰাছাৰ প্ৰাদেশিকীকৰণ সম্পৰ্কীয় বিষয়ত শ্ৰীমতী মোমেলা খাতুনে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত WP(C) No.1600/2020 দাখিল কৰিছিল।

মাননীয় উচ্চ ন্যায়ালয়ে ০২-০৩-২০২০ তাৰিখৰ আদেশযোগে ৰাজ্যিক কৰ্তৃপক্ষক বিদ্যালয়ৰ নথি-পত্ৰ পৰ্যালোচনা কৰি আবেদনকাৰীৰ দাবী বিবেচনা কৰিবলৈ নিৰ্দেশ দি গোচৰটো নিষ্পত্তি কৰে।

এই নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত বিষয়টো বিভাগে বিভিন্ন পৰ্যায়ৰ অনুসন্ধানৰ ভিত্তিত প্ৰতিবেদন সমূহ মূল্যায়ন কৰি আছে।

সকলো তথ্য সন্নিবিষ্ট কৰি ইতিমধ্যে মাননীয় Advocate General মহোদয়ৰ মতামত বিচৰা হৈছে আৰু মতামত পোৱাৰ পিছত, সকলো দিশ চালি জাৰি চাই, প্ৰযোজ্য আইন, ন্যায়ালয়ৰ আদেশ আৰু উপলব্ধ নথি-পত্ৰৰ ভিত্তিত উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

(তৰাবিহীন প্ৰশ্ন নং ৪৯৪ৰউত্তৰ(www.cmsasla.neva.gov.in) eVidhan (NeVA)পৰ্টেলতউপলব্ধ)